জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৪/২০২২

# মুখ্যমন্ত্ৰীৰ উপস্থিতিত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সংৰক্ষণ আৰু প্ৰস্তাৱিত কাজিৰঙা এলিভেটেড ক'ৰিডৰ সম্বন্ধীয় ফটো আৰু আৰ্কাইভেল প্ৰদৰ্শনী উন্মোচন কৰিলে ৰাষ্ট্ৰপতিয়ে

## ৰাষ্ট্ৰপতিৰ কাজিৰঙা ভ্ৰমণে বনজ সম্পদৰ সংৰক্ষণ আৰু সুৰক্ষাৰ দিশত 'কাজিৰঙা মডেল'ক এক নতুন উচ্চতা প্ৰদান কৰিলে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৭ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ৰাষ্ট্ৰপতি ৰামনাথ কোৱিন্দই আজি কাজিৰঙাৰ কঁহৰাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সংৰক্ষণ, সুৰক্ষা আৰু প্ৰস্তাৱিত কাজিৰঙা এলিভেটেড ক'ৰিডৰ সম্পৰ্কীয় এক ফটো আৰু আৰ্কাইভেল প্ৰদৰ্শনী আনুষ্ঠানিকভাৱে উন্মোচন কৰে।

উল্লেখযোগ্য যে প্ৰদৰ্শনীখনত মুখ্যতঃ ৰাষ্ট্ৰীয় উদ্যানখনৰ পাঁচবিধ প্ৰধান বন্যপ্ৰাণী গঁড়, হাতী, বাঘ, দল হৰিণ আৰু বনৰীয়া ম'হৰ বিষয়ে উপস্থাপন কৰা হৈছে। প্ৰদৰ্শনীত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ চহকী জীৱ বৈচিত্ৰ্য, বছৰি হোৱা বানপানী, বন সুৰক্ষা বাহিনী আৰু অন্যান্য সুৰক্ষামূলক কাম-কাজ তথা উদ্যানখনৰ আকৰ্ষণীয় প্ৰাকৃতিক সৌন্দৰ্যৰ বিভিন্ন দিশো উপস্থাপন কৰা হৈছে। তদুপৰি প্ৰদৰ্শনীখনত বৃহদাকাৰ হাতীৰ দাঁত, গঁড়ৰ বৃহৎ খৰ্গ, শৰ পহু আৰু দল হৰিণৰ শিং আদিও প্ৰদৰ্শন কৰা হৈছে। আনহাতে প্ৰদৰ্শনীৰ অন্য এটা শাখাত বন্য জন্তুৰ সুৰক্ষাৰ স্বাৰ্থত আত্মবলিদান দিয়া বন বিভাগৰ শ্বহীদসকলৰ নাম প্ৰদৰ্শন কৰা হৈছে।

ৰাষ্ট্ৰপতি আৰু তেওঁৰ সহধৰ্মিনী সবিতা কোৱিন্দক আদৰণী জনাই মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অনুপম প্ৰাকৃতিক সৌন্দৰ্য আৰু ইয়াৰ চহকী জীৱ বৈচিত্ৰ্যক অনন্য ৰূপত উপস্থাপন কৰা এই প্ৰদৰ্শনী উন্মোচনত ৰাষ্ট্ৰপতিগৰাকীক সহযোগ কৰিবলৈ পাই তেওঁ সৌভাগ্যৱান অনুভৱ কৰিছে। দেশৰ ৰাষ্ট্ৰপতিগৰাকীৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ আগমনে বিশ্ব ঐতিহ্য ক্ষেত্ৰখনৰ কৰ্তৃপক্ষ, বনকৰ্মী আৰু অন্যান্য কৰ্মীসকল তথা স্বেচ্ছাসেৱী সংস্থাসমূহক নিজৰ কামত অধিক সততা আৰু নিষ্ঠাৰে আত্মনিয়োগ কৰাত উৎসাহিত কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

ৰাষ্ট্ৰীয় উদ্যানখনৰ সংৰক্ষণৰ দিশত আগবঢ়োৱা মূল্যৱান দিহা-পৰামৰ্শৰ বাবে ৰাষ্ট্ৰপতিগৰাকীৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেখেতৰ এই পৰামৰ্শসমূহে কাজিৰঙাৰ আৰ্হিত বন্যপ্ৰাণী

আৰু বনজ সম্পদৰ সংৰক্ষণ আৰু সুৰক্ষাৰ দিশত নতুন নজিৰ সৃষ্টিৰ লগতে এইক্ষেত্ৰত এক নতুন মাত্ৰা সংযোজনৰ ক্ষেত্ৰত চৰকাৰক নিশ্চিতভাৱে সহায় কৰিব।

এই অনুষ্ঠানত বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, কৃষি মন্ত্ৰী অতুল বৰা আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল।

এই কাৰ্যসূচীৰ পিছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই তেওঁৰ সতীৰ্থ মন্ত্ৰী কেইগৰাকীৰ সৈতে যোৰহাট বিমান বন্দৰত তিনিদিনীয়া অসম ভ্ৰমণ সামৰি উভতি যোৱা ৰাষ্ট্ৰপতিগৰাকীক বিদায় সম্ভাষণ জনায়।

**সুঃদঃ / প্ৰঃকুঃবঃ**
**২৭-২-২০২২**